Sanjay Acharjya
Kamargaon College.

# PRATIBHA

A Multilingual, Multidisciplinary, Peer-Reviewed National Annual Journal

ISSN-2349-5286

Volume : VI
Issue –VI , March - 2023

WOMEN AWARENESS CELL, BIJNI COLLEGE, BIJNI
Bijni, Chirang, BTR, Assam, India

- কোচ-ৰাজবংশী লোকবিশ্বাসত 'সোণাৰায় পূজা' : এটি অৱলোকন
  ✍ বকুল উদ্দিন সৰকাৰ
- পানীন্দ্ৰনাথ গগৈৰ ল'ৰাশিক্ষা : এক পৰিচয়মূলক অধ্যয়ন 36[illegible]
  ✍ ৰাজীৱ হাজৰিকা
- ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্প 'স্ত্ৰী পত্ৰ'ৰ নাৰী চৰিত্ৰ মৃণাল আৰু 375
  লক্ষ্মীনাথ বেজবৰুৱাৰ 'ললিতী কাকতী'ৰ ললিতী চৰিত্ৰৰ এক তুলনামূলক বিশ্লেষণ
  ✍ ৰুমি দলৈ
- বিশ্বায়নৰ প্ৰভাৱত অসমৰ সংস্কৃতিৰ অন্তৰ্গত উৎসৱ-অনুষ্ঠান 386
  ✍ বিতুমনি দাস
- ৰীতা চৌধুৰীৰ 'দেওলাংখুই' উপন্যাসত নাৰীবাদী দৃষ্টিভংগীৰ চমু আলোকপাত 395
  ✍ সবিতা ৰয়
- মধ্যযুগৰ অসমীয়া সাহিত্যত বিজ্ঞান চিন্তাৰ বেঙনি 402
  ✍ সঞ্জয় আচাৰ্য
- দেউল উপন্যাসখনত প্ৰকাশ হোৱা অসমৰ জনজীৱনলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান 412
  ✍ সৰ্বজিৎ সোনোৱাল
- ভবেন্দ্ৰনাথ শইকীয়াৰ ভ্ৰাম্যমাণ নাটকৰ বিষয়বস্তু আৰু চৰিত্ৰাংকণ 421
  ✍ ড° হিৰুমনি কলিতা


## BODO SECTION


- मन' रन्जन लाहारिनि 'आलाइस्नि' सल' मायाव बेरखांनाय आइजोबाद
  ✍ मुस्नि कमलेस्वर बर'
- दाइनि सल'वाव नुजानाय गोदान बर' समाजारि सावगारि : मोनसे सावरायनाय
  ✍ जैस्नि बर'
- आयदा : सनकश दैमा सेरनि बर' रावसा
  ✍ Dhanjay Narzary
- आबहावा रैखा खालामनायाव सुबुं हारिमुनि बिफाव
  ✍ Dr. Rupashree Hazowary
- आयदा : बर'फोरनि सुबुं जिउ खुंनायाव दोरोङारि मैगं-थाइगं संनायनि आदब : मोनसे सावरायनाय
  ✍ Swdwmsri Mochahary


## BENGALI SECTION


- উপনিবেশোত্তর চেতনাবাদের আলোকে রবীন্দ্রনাথের প্রবন্ধ পাঠ
  ✍ ড. অপু গুহ ঠাকুরতা
- অরণ্যের অধিকার : বাস্তবতাবাদ
  ✍ ড. উর্মিলা পোদ্দার

PRATIBHA
Volume : VI
Issue –VI , March - 2023
A Multilingual, Multidisciplinary,
Peer-Reviewed National Annual Journal
ISSN-2349-5286

# মধ্যযুগৰ অসমীয়া সাহিত্যত বিজ্ঞান চিন্তাৰ ৰেঙনি

সঞ্জয় আচাৰ্য
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কমাৰগাঁও মহাবিদ্যালয়, গোলাঘাট

সংক্ষিপ্তসাৰ

অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ আৰম্ভণি বুলিলে মৌখিক সাহিত্যৰ কথা উল্লেখ কৰিব পাৰি। মৌখিক সাহিত্যৰ ভিতৰত আকৌ ডাকৰ-বচনহে বিজ্ঞানত চহকী। অসমীয়া লোকপৰম্পৰাত ৰক্ষিত ডাকৰ বচনসমূহে দৈনন্দিন ব্যৱহাৰিক জীৱনৰ ৰোগ, কৃষি, গৃহ-নিৰ্মাণ, পৰিৱেশ, সন্তান পালন আদি বহুতো দিশত বৈজ্ঞানিক চিন্তা সামৰি লোৱা পৰিলক্ষিত হৈছে। মৌখিক সাহিত্যৰ পিছতে অসমীয়া সাহিত্যত বিজ্ঞান চিন্তাৰ আভাস ব্যৱহাৰিক সাহিত্যত পোৱা যায়। এইব্যৱহাৰিক সাহিত্যবোৰ মধ্যযুগৰ অসমীয়া সাহিত্যৰ সম্পদ। ইয়াৰ পৰাই অসমীয়া সাহিত্যত লিখিত বিজ্ঞান সাহিত্যৰ সূচনা আৰম্ভ হয়। এইযুগত ব্যৱহাৰিক সাহিত্যৰ যিকেইটা শাখা ঘাইকৈ চৰ্চা লাভ কৰিছিল সেইকেইটা হ'ল— গণিত, চিকিৎসাবিদ্যা আৰু জ্যোতিষবিদ্যা। গণিত সাহিত্যৰ ভিতৰত সেয়া বকুল কায়স্থৰ 'কিতাবত মঞ্জৰী', কাশীনাথৰ 'অংকৰ আৰ্য্যা', চূড়ামণিৰ 'জ্যোতিষ চূড়ামণি', কবিৰত্ন দ্বিজৰ 'লীলাৱতীৰ কথা' ইত্যাদি। প্ৰস্তাৱিত গৱেষণা পত্ৰত মধ্যযুগৰ ব্যৱহাৰিক সাহিত্যত বিজ্ঞানৰ আভাস কেনেধৰণে অন্তৰ্নিহিত হৈ আছে সেই সম্পৰ্কে আলোচনা কৰা হৈছে।

বীজশব্দ ঃ মধ্যযুগ, বিজ্ঞান সাহিত্য, ব্যৱহাৰিক সাহিত্য ইত্যাদি।

## ০.০০ অৱতৰণিকা

### ০.০১ বিষয়ৰ পৰিচয়

সপ্তদশ শতিকামানতে ইউৰোপত আধুনিক বিজ্ঞান চৰ্চাৰ আৰম্ভণি ঘটাৰ লগে লগে জনসাধাৰণৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰি তুলিবলৈ বিভিন্ন গ্ৰন্থ ৰচনা কৰা হয়। ঠিক সেই সময়তে গেলিলিঅ'ৰ দ্বাৰা যুগান্তকাৰী গ্ৰন্থ 'ডায়েলগ' জনপ্ৰিয় কৰি তুলিবলৈ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে।[১] ইয়াৰ পিছৰে প্ৰকাশিত হয় আৰু তেওঁ বিজ্ঞানক জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। ইয়াৰ পিছৰে পৰা প্ৰাচ্য আৰু পাশ্চাত্য বিভিন্ন দেশত আধুনিক বিজ্ঞান চিন্তাৰ বীজ ক্ৰমশঃ বিয়পি যাব ধৰে।

অসমতো আধুনিক বিজ্ঞান চৰ্চাৰ আৰম্ভণি হৈছিল খ্ৰীষ্টান মিছনেৰী অহাৰ পিছতে; কিন্তু গুৰুত্বপূৰ্ণ কথা যে আধুনিক অসমীয়া বিজ্ঞান সাহিত্যৰ আৰম্ভণি যদিও মিছনেৰীসকলৰ হাতত হৈছিল তথাপিও অসমীয়া সাহিত্যত বিজ্ঞানৰ প্ৰভাৱ মৌখিক সাহিত্য আৰু মধ্যযুগীয় অসমীয়া সাহিত্যত দেখিবলৈ পোৱা যায়। সাধাৰণতে 'মেজিক' এই ধাৰণাটো বিজ্ঞা সাহিত্যৰ মূল ভেটি বুলি কোৱা হয়। কিয়নো বিজ্ঞান যিদৰে কিছুমান কাৰণিক সূত্ৰৰ বশৱৰ্তী, ঠিক সেইদৰে মন্ত্ৰ বিলাক